# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-DEC-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি অহাটো ৰাজ্যৰ শিক্ষা ক্ষেত্ৰৰ বাবে ইতিবাচক লক্ষণ বুলি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কাইলৈ আদালতত এছ আই টিৰ অভিযোগনামা দাখিল।

৩। অৰুণাচল প্ৰদেশৰ আনজাও জিলাৰ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিকসহ কেইবাজনো নিহত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শোক প্ৰকাশ।

৪। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰলৈ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালৰ ২০২৫ বৰ্ষৰ **শ্ৰোতা প্ৰেৰণা বঁটা**। **আৰু**

৫। চণ্ডীগড়ত কিছুসময়ৰ পাছতে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল। টছত জিকি ভাৰতৰ প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ দ্বাৰা ৰাজ্যৰ চৰকাৰী, প্ৰাদেশিকীকৃত আৰু চাহ বাগিচা আদৰ্শ বিদ্যালয়ত অধ্যয়নৰত ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। ড০ শৰ্মাই ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমোল পৰিৱৰ্তনৰ লগতে শিক্ষাৰ্থীসকলৰ ভৱিষ্যতমুখী যাত্ৰাত প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰে। বৰ্তমান সময়ত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহু পৰিমাণে কম হোৱাটো ৰাজ্যৰ শিক্ষা ক্ষেত্ৰৰ বাবে ইতিবাচক লক্ষণ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। দূৰণিবটীয়া বিদ্যালয়লৈ অহা-যোৱাৰ ক্ষেত্ৰত সুবিধা প্ৰদানেৰে ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া অধ্যয়ন সহজ কৰি তোলাৰ দিশত এই চাইকেল বিতৰণ আঁচনি যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে বিদ্যালয়সমূহৰ উন্নীতকৰণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক উন্নত শিক্ষা প্ৰদান কৰাৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা লৈছে বুলি উল্লেখ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক মোবাইল ফোনৰ সদ্ ব্যৱহাৰেৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভূগোল, বুৰঞ্জী, বিজ্ঞান, ক্ৰীড়াকে ধৰি নতুন নতুন তথ্য আৰু জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে বিদ্যালয়ত শিক্ষকৰ উপস্থিতিৰ দৰে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো একেই নিয়ম প্ৰযোজ্য হ'ব আৰু বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকলৈ স্বয়ংক্ৰিয়ভাৱে মেছেজ যাব। আজিৰ অনুষ্ঠানত শিক্ষা সচিব নাৰায়ণ কোঁৱৰ, মন্ত্ৰী বিমল বৰা, যোগেন মহনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ আই টিয়ে কাইলৈ আদালতত অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত এই সন্দৰ্ভত কয় যে আদালতত অভিযোগনামা দাখিলৰ পাছত এছ আই টি বা আৰক্ষীৰ কাম শেষ হ'ব আৰু নিৰ্ধাৰিত পদ্ধতি অনুযায়ী বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ আদালতৰ ওপৰত আস্থা ৰাখিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি আহ্বান জনায়।

**বাইট**

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰ অভিযোগনামা কাইলৈ আদালতত দাখিল কৰা হ'ব। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব বুলি এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই ইতিমধ্যে প্ৰকাশ কৰিছে।

ooooo

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত হোৱা এটা পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হয়। সংবাদ মাধ্যমসমূহে আজি ইটানগৰত প্ৰকাশ কৰা মতে পাহাৰীয়া অঞ্চলৰ পৰা শ্ৰমিক কঢ়িয়াই অনা এখন ডাম্পাৰ ৰাজ্যখনৰ হায়ুলিয়াং-ছাগ্লাগাম পথত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি বাহনখনত অসমৰ কমেও ২১ গৰাকী শ্ৰমিক আছিল। ঘটনাৰ পাছতেই স্থানীয় প্ৰশাসন আৰু এন ডি আৰ এফে শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। উদ্ধাৰকাৰী দলে অসম আৰক্ষীৰ সৈতে এই অভিযানত সহায়ৰ বাবে যোগাযোগ ৰক্ষা কৰি আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশত সংঘটিত এই শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ শ্ৰমিকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে আজি ইম্ফলত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, মুখ্য সচিব ড০ পুনিত কুমাৰ গোৱেলকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই আদৰণি জনায়। শ্ৰীমতী মুৰ্মু বিমান বন্দৰৰ পৰা পোনে পোনে ইম্ফলৰ ৰাজভৱনলৈ যায়। ইয়াৰ পাছত তেওঁ ঐতিহাসিক মাপল কাংজেইবুং পল' খেলপথাৰত পল' খেল উপভোগ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা নাগৰিক অভ্যৰ্থনা অনুষ্ঠানত অংশ লয়। শ্ৰীমতী

মুৰ্মুৱে আজি সন্ধিয়া ৰাজভৱনত ৰাজ্যখনৰ গৃহচ্যুত হোৱা লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ্ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি সন্মান জনাব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooo

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰলৈ আগবঢ়োৱা হৈছে। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হৈছে। ২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণলৈ আগবঢ়োৱা হৈছে। আজি সংস্থাটোৱে এখন সভাযোগে সদস্যসকলক এই বিষয়ে অৱগত কৰে। অহা ২৫ ডিচেম্বৰত মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত হ'বলগীয়া অনাতাঁৰ মৰম পৰিয়ালৰ যোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হ'ব। বঁটা এটাকৈ ৰেডিঅ' চেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হ'ব।

ooooo

গুৱাহাটী মহানগৰীৰ খ্ৰীষ্টানবস্তিত থকা স্বাগতা স্কোৱেৰ নামৰ ব্যৱসায়িক ভৱনটোত পৰহি নিশা সংঘটিত অগ্নিকাণ্ড ৫০ ঘণ্টাৰো অধিক সময় ধৰি চলোৱা চেষ্টাৰ অন্তত নিৰ্বাপিত হৈছে। বৰ্তমান অট্টালিকাটোৰ কোনো এটা মহলাতে জুই জ্বলা ঘটনা হোৱা নাই যদিও অগ্নিনিৰ্বাপক বাহিনীৰ লোক সষ্টম হৈ আছে। কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত চাট্টাৰানে আজি ঘটনাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যবেক্ষণ কৰে। উল্লেখযোগ্য যে ভৱনটোত থকা ভাৰতীয় ষ্টেট বেংকৰ শাখাসমূহত জমা থোৱা বিভিন্ন নথিপত্ৰ আৰু আ-অলংকাৰ থকা ল'কাৰসমূহ অক্ষত অৱস্থাত থকা বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। বেংকৰ বিষয়াই বাহ্যিকভাৱে পৰীক্ষা কৰাৰ অন্তত এই বিষয়ে সদৰি কৰে।

ooooo

কামৰূপ মহানগৰ জিলাত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ ৰাজ্যিক পৰ্যায়ত শুভাৰম্ভ কৰা হয়। এবছৰৰ পৰা ১৯ বছৰ বয়সৰ শিশুসকলক পেলুমুক্ত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী প্ৰতি বছৰে দুবাৰকৈ পালন কৰা হয়। সমগ্ৰ শিক্ষা অভিযানৰ মিছন সঞ্চালক ডাঃ ওম প্ৰকাশে মহানগৰীৰ উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ অংগনবাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৌচগাৰৰ ব্যৱহাৰ, পৰিস্কাৰকৈ হাত ধোৱাৰ অভ্যাস গঢ়ি তোলা আৰু

বিশুদ্ধ খোৱাপানী সেৱনৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয়। ৰাজ্যৰ আন আন জিলাতো আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন কৰা হয়।

নগাঁও জিলাত আজিৰে পৰা ১৮ ডিচেম্বৰলৈ চলিবলগীয়া পেলু নিৰ্মূলকৰণ অভিযানৰ অধীনত ১ৰ পৰা ১৯ বছৰৰ ল'ৰা-ছোৱালীক পেলুনাশক দৰৱ সেৱন কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। জিলা স্বাস্থ্য সমিতিয়ে ঘৰলৈ গৈ পেলুনাশক বড়ি প্ৰদান কৰা স্বাস্থ্যকৰ্মীসকলক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। আজি নগাঁও গ্ৰাম্য পুঁথিভঁৰাল প্ৰেক্ষাগৃহত জিলা পৰ্যায়ৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। শ্ৰীভূমি জিলাতো আজি এই কাৰ্যসূচী লোৱা হয়। সপ্তাহজোৰা এই কাৰ্যসূচীৰ অধীনত শিশুসকলক পেলুমুক্ত কৰি তেওঁলোকৰ কৃমি আৰু পুষ্টিহীনতাৰ সমস্যা হ্ৰাস কৰাৰ প্ৰয়াস কৰা হৈছে। শোণিতপুৰতো আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন কৰা হয়। এই উপলক্ষে শিশু আৰু কিশোৰ-কিশোৰীসকলক চৰকাৰীভাৱে বিনামূলীয়াকৈ পেলুনাশক টেবলেট প্ৰদান কৰা হয়। একেদৰে দৰং জিলাতো সপ্তাহজোৰা ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ অভিযানৰ আজি শুভাৰম্ভ কৰা হয়।

পশ্চিম কাৰ্বি আংলং জিলাত ডংকামকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি পেলু নিৰ্মূলকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

ooooo

অসম বিধানসভাৰ উন্নয়ন বিভাগৰ স্থায়ী সমিতিৰ এটা প্ৰতিনিধি দলে শোণিতপুৰ জিলাত চলোৱা দুদিনীয়া ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আজি সামৰণি পৰে। আজি তেজপুৰস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত সমিতিৰ সদস্যসকলে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত সমিতিৰ অধ্যক্ষ গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক সুজামউদ্দিন লস্কৰ, অজয় ৰায়, নিজানুৰ ৰহমান আৰু দিগন্ত বৰ্মন উপস্থিত থাকে। শোণিতপুৰ জিলাৰ আয়ুক্ত সমন্বিতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰো সৈতে অনুষ্ঠিত বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, বন, জনস্বাস্থ্য কাৰিকৰীকে ধৰি বিভিন্ন বিভাগে কৰি থকা উন্নয়নমূলক কাম-কাজ সম্পৰ্কে আলোচনা কৰা হয়।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন জিলাত আজিৰে পৰা ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হৈছে। বৰপেটা জিলাৰ সোণকুছি কলনিস্থিত গুদামঘৰত পুৱা ৯ বজাত প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হয়। বৰপেটা জিলা নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰা মতে পঞ্জীয়নভুক্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলে এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। জিলাখনত এই পৰ্যায়ত এহেজাৰ ৪০১টা বেলট ইউনিট, এহেজাৰ ৫১৩টা কণ্ট্ৰল ইউনিট আৰু এহেজাৰ ৫১৩টা ভিভিপেট পৰীক্ষা কৰা হ'ব।

কামৰূপ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত থকা ইভিএম গুদামঘৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ইভিএম আৰু ভিভিপেটৰ পৰীক্ষণ প্ৰক্ৰিয়াত ভাৰতীয় ইলেকট্ৰনিক্স নিগম লিমিটেডৰ ১০ জন অভিযন্তাৰ লগতে স্বীকৃতিপ্ৰাপ্ত

ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে। জিলাখনত অহা ২৩ ডিচেম্বৰলৈ প্ৰথম পৰ্যায়ৰ পৰীক্ষণত এহেজাৰ ৯৪৪টা বেলট ইউনিট, দুহেজাৰ ৯৯টা কণ্ট্ৰল ইউনিট আৰু দুহেজাৰ ৯৯টা ভিভিপেটৰ পৰীক্ষা কৰা হ'ব। এই সন্দৰ্ভত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়–

**বাইট (দেৱ কুমাৰ মিশ্ৰ)**

দৰং নিৰ্বাচনী জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবেও আজি ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আৰম্ভ হৈছে। অহা ২৫ ডিচেম্বৰলৈকে চলিবলগীয়া এই পৰীক্ষণ প্ৰক্ৰিয়া ১২ জনীয়া এটা অভিযন্তাৰ দলে তদাৰক কৰিছে।

ooooo

মৰিগাঁও পকছ' আদালতে আজি নাবালিকা নিৰ্যাতনৰ গোচৰত দোষী সাব্যস্ত হোৱা এজন লোকক ২৫ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহে। এনাৰুল ইছলাম নামৰ লোকজনৰ বিৰুদ্ধে এবছৰ পূৰ্বে এগৰাকী নাবালিকাক নিৰ্যাতনৰ অভিযোগত মৈৰাবাৰী আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। আৰক্ষীয়ে এই ঘটনাৰ তদন্ত কৰি আদালতত তদন্তৰ প্ৰতিবেদন আৰু অভিযোগনামা দাখিল কৰে। এই অভিযোগনামাৰ ভিত্তিত আজি মৰিগাঁৱৰ অতিৰিক্ত ছেছন ন্যায়াধীশ তথা পকছ' আদালতৰ বিশেষ ন্যায়াধীশ ৰিণি ভৰালীৰ বিচাৰপীঠে এনাৰুল ইছলামক পকছ' আইনৰ ৬ নম্বৰ ধাৰাৰ অধীনত ২০ বছৰ আৰু ভাৰতীয় ন্যায় সংহিতাৰ ৩৩২ নম্বৰ ধাৰাৰ অধীনত অতিৰিক্ত ৫ বছৰ সশ্ৰম কাৰাদণ্ড বিহে। একেখন পকছ' আদালতে মুকছিদুৰ ৰহমান নামৰ আন এজন লোকক কালি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ১৫ হাজাৰ টকাৰ জৰিমনা বিহে।

ooooo

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰৰ ব্ৰহ্মপুত্ৰত কালি বিয়লি সন্ধানহীন হোৱা ৫ জন লোকৰ এতিয়ালৈকে সন্ধান লাভ কৰিব পৰা হোৱা নাই। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে আজি পুৱাৰে পৰা ব্ৰহ্মপুত্ৰৰ পাণ্ডুঘাট, উমানন্দ, ফাঁচী বজাৰ আৰু শুৱালকুছি পৰ্যন্ত লোককেইজনৰ সন্ধানত অভিযান চলায় যদিও কোনো শুংসূত্ৰ লাভ কৰিবলৈ সমৰ্থ নহ'ল। উল্লেখযোগ্য যে উদ্ধাৰকাৰী দলে লোককেইজনৰ সন্ধানত কালি বিয়লিৰে পৰা নাৰেৰে অভিযান অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে জয়পুৰত থকা ভক্তি কুটিৰ নামৰ এটা আধ্যাত্মিক প্ৰতিষ্ঠানলৈ যোৱা ৯ জন লোক ব্ৰহ্মপুত্ৰলৈ নামি যোৱাৰ পাছত ইয়াৰে ৪ জনে ক'থমপি প্ৰাণ ৰক্ষা কৰি উঠি আহে যদিও ৫ জন লোক ব্ৰহ্মপুত্ৰত উটি যোৱা বুলি সন্দেহ কৰা হৈছে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নিউ চণ্ডীগড়ৰ মুল্লানপুৰত থকা মহাৰাজা যাড়াবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কিছু সময় পাছতে আৰম্ভ হ'ব। ভাৰতে টছত জিকি দক্ষিণ আফ্ৰিকাক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

ভাৰতে সম্প্ৰতি শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

ooooo

সমাপ্ত